অধ্যায় ৪ ঃ অসমীয়া ভাষাৰ বাক্যৰীতি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ বাক্যৰীতিৰ সংজ্ঞা
৪.৩.১ বাক্যৰ শ্রেণী বিভাজন
৪.৪ উদ্দেশ্য আৰু বিধেয়
৪.৫ বাক্য
৪.৬ উক্তি
৪.৭ বাক্যত পদৰ ক্রম
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাক্যৰীতি মানে কি সেই বিষয়ে ধাৰণা লাভ কৰিব
- বাক্যৰ শ্রেণী বিভাজন সম্বন্ধে আভাস পাব
- 'উদ্দেশ্য' আৰু 'বিধেয়'ৰ সৈতে চিনাকি হ'ব
- বাক্য আৰু উক্তি সম্পর্কে আভাস পাব
- অসমীয়া ভাষাৰ বাক্য গাঁথনিত পদৰ ক্রমবোৰ জানিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ বিভক্তি আৰু প্রত্যয় সম্পর্কে অধ্যয়ন কৰিলে। অধ্যায়টোৰ জৰিয়তে আপুনি অসমীয়া ভাষাৰ কালিকাৰ কেইটিমান দিশ সম্পর্কেও অৱগত হ'ল। এই অধ্যয়টোত আপুনি অসমীয়া ভাষাৰ বাক্যৰীতি বিষয়ে অধ্যয়ন কৰিব। আপুনি নিশ্চয় লক্ষ্য কৰিছে যে, কোনো এটা ভাষাৰ বাক্যসমূহৰ গাঁথনিত এক বিশেষ ক্রম ৰক্ষিত হয়। অসমীয়া ভাষাৰ বাক্য গাঁথনিতো এনে বৈশিষ্ট্য বিদ্যমান। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল। অধ্যায়টো অধ্যয়ন কৰি আপুনি অসমীয়া ভাষাৰ বাক্যৰীতি সম্পর্কে প্রকৃত ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

৪.৩ বাক্যৰীতিৰ সংজ্ঞা

বিভিন্ন পদৰ সংযোগত বাক্য সৃষ্টি হয়। কিন্তু পদবোৰ যেনেকৈ-তেনেকৈ সজালেই বাক্য নহয়। পদৰ একোটা ক্রম থাকে। এই ক্রমত নসজালে বাক্যৰ গাঁথনিত কেনা লাগে। আনহাতে কিবা এটা প্রশ্ন কৰা, আশ্চর্যপ্রকাশ কৰা, সদর্থক-নঞর্থক উত্তৰ দিয়া আদি বিভিন্ন ভাবৰ বাক্যৰ গঠনো বেলেগ বেলেগ। গতিকে, বাক্য গঠনৰ বিভিন্ন প্রকাৰ, ভংগী আৰু অর্থ অনুসৰি নির্দিষ্ট গাঁথনিক দিশ আদি বাক্যৰীতিয়ে সামৰি লয়।

৪.৩.১ বাক্যৰ শ্রেণী বিভাজন

অসমীয়া ভাষাৰ বাক্যক তিনিধৰণে ভাগ কৰিব পাৰি—

- বাক্যৰ গাঁথনিক দিশৰ পৰা ঃ
  - সৰল বাক্য
  - যুগ্ম বাক্য
  - জটিল বাক্য
- অর্থৰ দিশৰ পৰা ঃ
  - নির্দেশাত্মক
  - অনুজ্ঞাবোধক
  - প্রশ্নবোধক
  - নঞর্থক
- বাক্যত কর্তা/কর্ম/ক্রিয়া — কোনে মুখ্য ভূমিকা লয় তাৰ ভিত্তিত ঃ
  - কর্তৃবাচ্য
  - কর্মবাচ্য
  - ভাববাচ্য

- *বাক্যৰ গাঁথনিক দিশৰ পৰা ঃ* ল'ৰাটোৱে কান্দিছে। মই ঘৰলৈ যাওঁ। — এই দুটা সৰল বাক্য। সহজভাৱে কোনো এটা সম্পূর্ণ অর্থ প্রকাশ কৰা বাক্যই সৰল বাক্য। সৰল বাক্যত এটা উদ্দেশ্য আৰু এটা বিধেয় থাকে। এনে বাক্যত 'আৰু', 'যে', 'যদি', 'গতিকে' আদি কোনো অব্যয়ৰ ব্যৱহাৰ নহয়। কেতিয়াবা এটা শব্দইও এটা সৰল বাক্য হ'ব পাৰে। যেনে— ১) বহা ২) খাইছো ৩) এৰা ৪) হয়। এই চাৰিটা শব্দই একোটা সৰল বাক্য। কাৰণ ইহঁতে একোটাহঁত বাক্যৰ অর্থ প্রকাশ কৰিছে। যেনে—

  ১ নং বাক্যই প্রকাশ কৰা অর্থ — তুমি বহা।

  ২ নং বাক্যই প্রকাশ কৰা অর্থ — মই খাইছোঁ।

৩ নং বাক্যই প্ৰকাশ কৰা অৰ্থ — এৰা, কথাটো হয়।

৪ নং বাক্যই প্ৰকাশ কৰা অৰ্থ — হয়, কথাটো হয়।

দুটা বা বেছি সৰল বাক্য 'আৰু' 'কিন্তু', 'তথাপি' আদি সংযোজক অব্যয় যোগ কৰি সৃষ্টি কৰা বাক্যই যুগ্ম বাক্য। যেনে — 'মা মাহীৰ বিয়ালৈ যাব।' 'দেউতা মাহীৰ বিয়ালৈ যাব।' — এই বাক্য দুটা একেলগে লিখিলে হ'ব — 'মা আৰু দেউতা মাহীৰ বিয়ালৈ যাব' — এইটো এটা যুগ্ম বাক্য। একেদৰে, 'দেউতা বজাৰৰ পৰা আহিল আৰু ভাত খালে' এই যুগ্ম বাক্যটো ভাঙিলে আমি দুটা সৰল বাক্য পাম — ১) দেউতা বজাৰৰ পৰা আহিল। আৰু

২) দেউতাই ভাত খালে।

অতি কমেও দুটা অৰ্থপূৰ্ণ বাক্য বিশেষ ধৰণে সংযোজিত হোৱাৰ ফলত এটাৰ অৰ্থ আনটোৰ অৰ্থৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হ'লে তেনে বাক্যক জটিল বাক্য বোলে। যেনে — যদি সি আহে মই যাম। — এই বাক্যটোত 'মই যাম' বাক্যটো 'যদি সি আহে' বাক্যৰ ওপৰত নিৰ্ভৰশীল। গতিকে 'মই যাম' প্ৰধান বাক্য আৰু যদি সি আহে তলতীয়া বাক্য। জটিল বাক্যত 'য' -ৰে আৰম্ভ হোৱা (যদি, যেতিয়া, যিহেতু) অব্যয় সংযোগ হয়।

- *অৰ্থৰ দিশৰ পৰা ঃ* অনুজ্ঞাবোধক বাক্যই নিৰ্দেশ, অনুৰোধ আদি বুজায়। কেৱল দ্বিতীয় আৰু তৃতীয় পুৰুষতহে অনুজ্ঞাৰ অৰ্থ প্ৰকাশ হয়। যেনে —

তুমি খোৱা

তই খা

আপুনি খাওক

সি খাওক।

তিনিওটা কালত কৰ্তাই ক্ৰিয়া সম্পন্ন কৰা অৰ্থৰ সকলো বাক্যই নিৰ্দেশাত্মক বাক্য। যেনে —

মই যাওঁ

তুমি কাইলৈ আহিবা।

সি পৰহিয়েই গ'ল। ইত্যাদি

প্ৰশ্নবোধক বাক্যই ক্ৰিয়াৰ কাৰ্যৰ বিষয়ে সোধে। যেনে — তুমি কি কৰিছা? তুমি কৰিছা? তুমি পাৰিবা জানো?

আনহাতে, নোহোৱা, নাই, আদি অৰ্থৰ বাক্যবোৰ নঞৰ্থক বাক্য, যেনে — তুমি কৰিব নোৱাৰা।

কৰ্তা/কৰ্ম/ক্ৰিয়াৰ ভূমিকাৰ ওপৰত ভিত্তি কৰি বাক্যৰ বিভাজনৰ বিষয়ে পৰৱৰ্তী শাখা 'বাচ্য'ত আলোচনা কৰা হ'ব।

৪.৪ উদ্দেশ্য আৰু বিধেয়

যাৰ বিষয়ে কোৱা হয় সিয়েই উদ্দেশ্য। বাক্যত কর্তা সদায় উদ্দেশ্য। যি কোৱা হয় সেয়াই বিধেয়। আন কথাত যাক অৱলম্বন কৰি বক্তাৰ মনোভাব প্রকাশিত হয় সিয়েই উদ্দেশ্য। উদ্দেশ্য সম্বন্ধে যি কোৱা হয় সিয়েই বিধেয়।

বাক্যত কর্তা, কর্ম, কৰণ, নিমিত্তার্থক, অপাদান আৰু অধিকৰণ — এই ছটা কাৰক বাচক পদৰ লগত ক্রিয়াপদৰ সদায় পোনপটীয়া সম্পর্ক স্থাপিত হয়। যেনে —

ডাক্তৰে ৰোগীজনক বিমানেৰে গুৱাহাটীৰ পৰা দিল্লীলৈ পঠিয়ালে।

এই বাক্যটো যদি আমি কাৰকবাচক পদ অনুসৰি সজাওঁ —

তালিকা ৪.১ ঃ কাৰকবাচক পদ

কর্তা	**কর্ম**	**অন্যান্য পদ**	**ক্রিয়াপদ**
ডাক্তৰে	ৰোগীজনক	কৰণ —বিমানেৰে	পঠিয়ালে
		অপাদান — গুৱাহাটীৰপৰা	
		নিমিত্তার্থ — দিল্লীলৈ	

এই তালিকাত দেখা গ'ল ক্রিয়া পদৰ লগত কর্ম আৰু অন্যান্য পদৰ পোনপটীয়া আৰু নিবিড় সম্পর্ক ঘটিছে। গতিকে এফালে কর্তাপদ আৰু আনফালে ক্রিয়াপদৰ সৈতে সকলো পদক দুভাগে ৰাখিব পাৰি — এই দুভাগেই উদ্দেশ্য আৰু বিধেয়। মন কৰক, ডাক্তৰে পদটো নাই বুলি ধৰিলেও আমি চাৰিটা অর্থপূর্ণ বাক্য পাম—

ৰোগীজনক পঠিয়ালে।

ৰোগীজনক বিমানেৰে পঠিয়ালে।

ৰোগীজনক গুৱাহাটীৰ পৰা পঠিয়ালে।

ৰোগীজনক দিল্লীলৈ পঠিয়ালে।

গতিকে, 'ডাক্তৰে' শব্দটো উদ্দেশ্য আৰু 'ৰোগীজনক বিমানেৰে গুৱাহাটীৰ পৰা দিল্লীলৈ পঠিয়ালে' বাক্যাশং হ'ল বিধেয়।

উদ্দেশ্য এটা বিশেষ্য পদ বা বিশেষ্য পদ থকা পদগুচ্ছ হ'ব পাৰে। যেনে —

১) মানুহ আহিছে
উদ্দেশ্য বিধেয়

২) বহুত মানুহ আহিছে
উদ্দেশ্য বিধেয়

৩) বেলেগ বেলেগ সাজপাৰ পিন্ধা বহুত মানুহ আহিছে
উদ্দেশ্য বিধেয়

একেদৰে এটা ক্ৰিয়াপদেৰেও বিধেয় হ'ব পাৰে বা ক্ৰিয়াপদ থকা পদগুচ্ছৰেও বিধেয় হ'ব পাৰে।

ডাক্তৰে ৰোগীজনক বিমানেৰে দিল্লীলৈ পঠিয়ালে।

উদ্দেশ্য বিধেয়

এনেদৰে উদ্দেশ্য বা বিধেয়ক সম্প্ৰসাৰণ কৰি নতুন অৰ্থপূৰ্ণ বাক্য সাজিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জটিল বাক্য কাক বোলে?

.....

প্ৰশ্ন নং ২ ঃ কাৰক বাচক পদৰ লগত ক্ৰিয়াপদৰ পোনপটীয়া সম্পৰ্ক স্থাপিত হয়নে?

.....

৪.৫ বাচ্য

কথা কোৱাৰ ধৰণকে বাচ্য বোলা হয়। আন কথাত বাক্যত পদৰ সংগতিয়েই বাচ্য। অসমীয়া বাক্য একোটাত ক্ৰিয়াই কৰ্তাৰ বিষয়ে ক'ব পাৰে, কৰ্মৰ বিষয়ে ক'ব পাৰে বা ক্ৰিয়াই নিজৰ বিষয়ে ক'ব পাৰে। অৰ্থাৎ বাক্যত মুখ্য ভূমিকা কৰ্তাই নে কৰ্মই নে ক্ৰিয়াই লৈছে সেই অনুসৰি বাচ্য তিনিপ্ৰকাৰৰ—

- কৰ্তৃবাচ্য
- কৰ্মবাচ্য
- ভাববাচ্য

- **কৰ্তৃবাচ্য ঃ** কৰ্তৃবাচ্য বাক্যত কৰ্তাই মুখ্য ভূমিকা লয়। কৰ্তাই কাৰ ওপৰত, কিহৰ সহায়ত কেনেকৈ কেতিয়া কি কাৰণে ক্ৰিয়া সম্পন্ন কৰে সেয়াই কৰ্তৃবাচ্য বাক্যৰ বক্তব্য। যেনে—

  চিকাৰীয়ে বাঘটো মাৰিলে।

  মই ভাত খালোঁ।

  কৰ্তৃবাচ্য বাক্যত কৰ্তাৰ লগত ক্ৰিয়াৰ সংগতি মন কৰিবলগীয়া। কৰ্তাপদৰ পুৰুষ অনুসৰি ক্ৰিয়াপদত পুৰুষৰ বিভক্তি লগ লাগে। যেনে —

  ১ম পুৰুষ — মই ভাত খালোঁ।

  ২য় পুৰুষ — তুমি ভাত খালা।

  ৩য় পুৰুষ — সি ভাত খালে।

  কৰ্ম নোহোৱাকৈও কৰ্তৃবাচ্য বাক্য হ'ব পাৰে। যেনে —

  গৰু চৰে। মানুহ মৰে।

কর্তৃবাচ্য বাক্যত উদ্দেশ্য স্থানত সদায় কর্তা থাকে। কর্তা এনে বাক্যত এটা এৰাব নোৱৰা অংশ।

- **কর্মবাচ্য ঃ** কর্মবাচ্য বাক্যত কর্মই মুখ্য ভূমিকা লয়। উদ্দেশ্য স্থানত কর্ম বহে আৰু ক্রিয়াৰ লগত সম্বন্ধ ঘটে। ক্রিয়া কোনে কৰিলে সেয়া গুৰুত্বপূর্ণ নহয়, কর্মবাচ্য বাক্যত গুৰুত্বপূর্ণ কথা হ'ল কি কার্য সম্পন্ন কৰিলে সেয়াহে। উদাহৰণস্বৰূপে —

গধূলি প্রার্থনা কৰা হয়

— এই বাক্যশাৰীত উদ্দেশ্য হ'ল 'প্রার্থনা'; (গধূলি, উদ্দেশ্যৰ সম্প্রসাৰণ)। 'প্রার্থনা' কৰা কথাটোহে বাক্যটোত গুৰুত্বপূর্ণ, কোনে কৰে সেয়া গুৰুত্বপূর্ণ নহয়।

কর্তৃবাচ্য বাক্যৰ গঠন আৰু কর্মবাচ্য বাক্যৰ গঠনৰ পার্থক্য দুয়োটা বাক্যৰ গাঁথনিতে স্পষ্ট হয়। কর্মবাচ্য ক্রিয়াত ধাতুত -আ যোগ দি সহায়কাৰী ধাতু 'হ' বা 'যা' -ৰ তৃতীয় পুৰুষৰ ৰূপ সংযোগ হয়। যেনে— দিনত আকাশখন নীলা দেখা যায়।

—ইয়াত ক্রিয়াৰ ধাতু √দেখ্। দেখ + আ > দেখা।

√যা ধাতুৰ তৃতীয় পুৰুষৰ ৰূপ হ'ল — যায়।

কেতিয়াবা কিছু বেলেগ ধৰণেও কর্মবাচ্য গঠন হয়। যেনে —

১) দিনত তৰা নেদেখি।

ইয়াত ক্রিয়াপদ (বিধেয়) নেদেখি -ৰ গঠন মনকৰিবলগীয়া।

২) প্রেক্ষাগৃহত চিঞৰিলে প্রতিধ্বনি শুনি।

এইবোৰ বাক্যৰ ক্রিয়াপদৰ ধাতুত - ই প্রত্যয় যোগ দিয়া হয়।

মন কৰিবলগীয়া যে, কর্মবাচ্যৰ ক্রিয়াত যোগ হোৱা -ই টোক কর্মবাচ্যৰ বিভক্তি বোলে। ই অসমাপিকা ক্রিয়াপদৰ বিভক্তি নহয়। কর্মবাচ্যৰ -ই বিভক্তিয়ে সমাপিকা ক্রিয়া গঠন কৰিব পাৰে।

- **ভাববাচ্য ঃ** যি বাক্যত ক্রিয়াৰ বিষয়ে বর্ণনা কৰাই মুখ্য স্থান পায়, সেইবোৰেই ভাববাচ্য বাক্য। যেনে —

১) প্রভূৰ কেতিয়াকৈ যোৱা হ'ব?

২) কেতিয়া অহা হ'ল?

৩) কৰা হ'ব।

৪) দেখা হ'ম। ইত্যাদি।

ওপৰৰ চাৰিটা বাক্যত ক্রিয়াপদ ক্রমে হ'ব, হ'ল, হ'ব আৰু হ'ম। এই ক্রিয়াকেইটাই ক্রমে যোৱা, অহা, কৰা আৰু দেখাদেখি হোৱাৰ কথা কৈছে; অর্থাৎ ক্রিয়াৰ কথাকে কৈছে। ভাববাচ্য বাক্যত ক্রিয়াৰ ধাতুত -আ প্রত্যয় সংযোগ কৰা হয় আৰু হ্ বা য়া ধাতুৰ তৃতীয় পুৰুষৰ ৰূপ যোগ দিয়া হয়।

৪.৬ উক্তি

বক্তাই কোৱা বাক্যবোৰৰ মাজেদি বক্তাৰ ইচ্ছা-অনিচ্ছা, আদেশ-অনুৰোধ, প্রশ্ন, সন্দেহ, বিস্ময় আদি বিভিন্ন ভাব প্রকাশ পাব পাৰে। কওঁতাজনৰ কথাখিনি তেওঁ কোৱা ধৰণেৰেই হুবহু আনজনে ক'ব পাৰে বা ভাবটো ঠিকেই ৰাখি আনধৰণেও ক'ব পাৰি। 'উক্তি' বুলিলে কোৱাৰ এই ধৰণটোকে বুজায়। উক্তি দুই প্রকাৰৰ — (ক) প্রত্যক্ষ উক্তি, (খ) পৰোক্ষ উক্তি

কওঁতাৰ কথাখিনি আনজনে হুবহু প্রকাশ কৰিলে 'প্রত্যক্ষ উক্তি' আৰু কওঁতাৰ কথাখিনিৰ ভাবটো মাত্র ৰাখি আনজনে নিজা ধৰণে ক'লে 'পৰোক্ষ উক্তি' হয়। প্রত্যক্ষ উক্তিত কোৱা কথাখিনি উর্ধ্বকমা বা উদ্ধৃতি চিহ্নৰ মাজত ৰখা হয়। উদাহৰণস্বৰূপে —

১) প্রত্যক্ষ উক্তি ঃ গকুলে ক'লে, "মোক দেউতাই মাতিছে।"
পৰোক্ষ উক্তি ঃ গকুলে ক'লে যে তাক দেউতাকে মাতিছে।
বা
গকুলে ক'লে যে তাক হেনো দেউতাকে মাতিছে।

২) প্রত্যক্ষ উক্তি ঃ ৰামে কৈছে, "মানুহজন নাহে।"
পৰোক্ষ উক্তি ঃ ৰামে কৈছে যে মানুহজন নাহে।
বা
ৰামে মানুহজন নাহে বুলি কৈছে।
বা
ৰামে কৈছে বোলে মানুহজন নাহে।

প্রত্যক্ষ উক্তিৰ পৰা পৰোক্ষ উক্তিলৈ পৰিৱর্তন কৰাৰ কিছুমান সাধাৰণ নিয়ম আছে —

- প্রত্যক্ষ উক্তিৰ সর্বনাম শব্দবোৰ পৰোক্ষ উক্তিত সলনি হয়। যেনে —

প্রত্যক্ষ উক্তি	**পৰোক্ষ উক্তি**
ই	সি
এই	সেই
ইয়াত	তাত
মই	সি/তেওঁ
অ'ত	ত'ত
আজি	সিদিনা
অহা	যোৱা
কাইলৈ	পাছদিনা
ইমান	সিমান
এইফালে	সেইফালে। ইত্যাদি

উদাহৰণস্বৰূপে— ৰামে কৈছিল, "মই ইয়াতে থাকিম।"
ৰামে কৈছিল যে তেওঁ তাতে থাকিব।
ৰবিতাক ক'লো, "এই কিতাপখন পঢ়িবা।"
ৰবিতাক সেই কিতাপখন পঢ়িবলৈ ক'লোঁ।

- প্রত্যক্ষ উক্তি ক্রিয়া যদি অতীত কালৰ হয় পৰোক্ষ উক্তিৰ ক্রিয়াত অতীত কালৰে হয়।

যেনে— শিক্ষকে কৈছিল, "সদায় অংক কৰিবা।"
শিক্ষকে সদায় অংক কৰিবলৈ কৈছিল।

কিন্তু প্রত্যক্ষ উক্তিৰ মূল ক্রিয়া বর্তমান কালত থাকিলে পৰোক্ষ উক্তিৰ ক্রিয়া যিকোনো কালৰ হ'ব পাৰে।

- প্রত্যক্ষ উক্তিৰ প্রশ্নসূচক, সন্দেহবোধক, আজ্ঞাবোধক কথা পৰোক্ষ উক্তিলৈ পৰিৱর্তন কৰোঁতে ভাব অনুসৰি ক্রিয়া পৰিৱর্তন হয়। যেনে—

সি মোক সুধিলে, "ঘৰলৈ কেতিয়া যাবা?"
সি মোক ঘৰলৈ কেতিয়া যাম বুলি সুধিছিল।
হৰিয়ে কৈছিল, "মধুৰ কথা মই নাজানো।"
হৰিয়ে মধুৰ কথা নাজানো বুলি কৈছিল।
শিক্ষকে ক'লে, "অংকটো ঘৰত কৰি আনিবা।"
শিক্ষকে অংককেইটা ঘৰত কৰি আনিবলৈ ক'লে।
আইতাকে ক'লে, "তোৰ মংগল হওক।"
আইতাকে মংগল হ'বলৈ তাক আশীর্বাদ দিলে।

৪.৭ বাক্যত পদৰ ক্রম

আমি কথা কওঁতে এটা বা একাধিক শব্দ এটাৰ লগত আনটোৰ সম্পর্ক ৰক্ষা কৰি ওচৰা-ওচৰিকৈ বহুৱাওঁ আৰু তাৰ দ্বাৰা কোনো এটা ভাব প্রকাশ কৰোঁ। এই শব্দবোৰ বহুৱাওঁতে যদি সংগতি ৰক্ষা নহয়, তেন্তে অর্থ বিচৰা মতে নোলায়। যেনে — 'মই ভাত খাই আহিবলৈ ক'লোঁ।' এই বাক্যটোৰ ক্রম সলনি কৰিলে পাওঁ — 'মই খাই আহিবলৈ ভাত ক'লোঁ; এইটো বাক্যৰ অর্থ নোলাল। গতিকে বাক্যত শব্দবোৰ স্থাপন কৰোতে বিশেষ ক্রমতহে কৰা হয়।

মন কৰিব, শব্দ প্রয়োগ কৰিলেই বাক্য নহয়। শব্দবোৰত যদি বিভক্তি সংযোগ নকৰোঁ, তেতিয়াও অর্থ প্রকাশ নকৰে। যেনে — 'ৰাম যদু মাতিলে।' এই বাক্যটো শুদ্ধ নহয়।

বাক্যটোত বিভক্তিৰ ব্যৱহাৰ অনুসৰি দুটা অর্থ হ'ব। যেনে -

ৰামে যদুক মাতিলে।
বা
ৰামক যদুয়ে মাতিলে। (যদুৱে ৰামক মাতিলে)

শব্দবোৰত বিভক্তি সংযোগ হ'লেই তাক পদ বোলা হয়। গতিকে পদবোৰক বিশেষ ক্ৰমত স্থাপন কৰিলেহে বাক্য হয়। সেইবাবে বাক্যত পদৰ ক্ৰম অৱশ্যে শিকিবলগীয়া বিষয়।

পদ দুবিধ ঃ নামপদ আৰু ক্ৰিয়াপদ।

কোনো বস্তুৰ নাম, অৱস্থা, ক্ষণ বা ভাব বুজোৱা শব্দবোৰেই নামশব্দ। নামশব্দত কাৰকবিভক্তি যোগ কৰিলেই নামপদ পাওঁ।

আনহাতে, যি পদে কোনো কাম কৰা বা হোৱা বুজায় সিয়েই ক্ৰিয়াপদ। বাক্যত ক্ৰিয়াপদৰ স্থান সদায় শেষত। যেনে —

মই ঘৰলৈ নাযাওঁ। সি আহিব।

দেউতা বজাৰলৈ গ'ল।

সন্দেহবোধক বাক্যত ক্ৰিয়াৰ পিছত অব্যয় পদ বহিব পাৰে —

মই নাযাওঁ নেকি।

সি নাহিব ছাগৈ।

তুমি নাহা জানো।

অসমীয়া বাক্যত পদৰ ক্ৰম সাধাৰণতে এনে ধৰণৰ হয় — কৰ্তা - কৰ্ম - ক্ৰিয়া। কৰ্তা, কৰ্ম, কৰণ, অপাদান, অধিকৰণ, নিমিত্ত আৰু সম্বন্ধপদ এইবোৰ কাৰকবাচক নামপদ। (নামপদত কাৰকৰ বিভক্তি লাগিলে নামপদবোৰেই কাৰকবাচক পদ হয়।) যেনে—

মই	ভাত	খালোঁ।
কৰ্তা	কৰ্ম	ক্ৰিয়া

'কৰ্ম' নোহোৱাকৈও বাক্য হ'ব পাৰে। 'গৰু চৰে'। 'মানুহ মৰে'। অৰ্থাৎ কেৱল 'কৰ্তা' আৰু 'ক্ৰিয়া'ৰেও বাক্য হ'ব পাৰে। গতিকে অসমীয়া সৰল বাক্যত কৰ্তা আৰু ক্ৰিয়া অপৰিহাৰ্য্য। বাক্যৰ আৰম্ভণিত কৰ্তা আৰু শেষত সমাপিকা ক্ৰিয়া ৰাখি মাজত অন্যান্য কাৰকৰ পদবোৰ সংগতি লগাই স্থাপন কৰিব পাৰি। যেনে —

মই যাওঁ। মই স্কুললৈ যাওঁ।

মই ভাত খাই স্কুললৈ যাওঁ।

মই সদায় পুৱা ভাত খাই ন-বজাত স্কুললৈ যাওঁ।

কথা কোৱাৰ বিভিন্ন ভংগী থাকে। ভংগী অনুসৰি এই ক্ৰমবোৰ কেতিয়াবা ইফাল সিফাল কৰিও ক'ব পাৰি। যেনে —কেতিয়াবা কৰ্মপদ বাক্যৰ শেষলৈও যাব পাৰে— মই কৈ দিলো তাইক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কৰ্মবাচ্যৰ ক্ৰিয়াত যোগ হোৱা -ই টোক কি বিভক্তি বোলে?

.....

প্ৰশ্ন নং ৪ ঃ পৰোক্ষ উক্তিলৈ নিয়া — ৰামে মোক ক'লে, "মই কালিলৈ স্কুললৈ নাযাওঁ?"

.....

প্ৰশ্ন নং ৫ ঃ অসমীয়া বাক্যত সাধাৰণতে ক্ৰিয়াপদৰ স্থান ক'ত?

.....



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাক্য গঠনৰ বিভিন্ন প্ৰকাৰ, ভংগী আৰু অৰ্থ অনুসৰি নিৰ্দিষ্ট গাঁথনিক দিশ আদি বাক্যৰীতিয়ে সামৰি লয়। গঠন, অৰ্থ আৰু ভাব অনুসৰি বিভিন্ন প্ৰকাৰৰ বাক্য পাব পাৰি।
- বাক্যৰ গঠনত দুটা ভাগ দেখা যায় — উদ্দেশ্য আৰু বিধেয়। যাৰ বিষয়ে কোৱা হয় সিয়েই উদ্দেশ্য। বাক্যত কৰ্তা সদায় উদ্দেশ্য। যি কোৱা হয় সেয়াই বিধেয়। আন কথাত যাক অৱলম্বন কৰি বক্তাৰ মনোভাব প্ৰকাশিত হয় সিয়েই উদ্দেশ্য। উদ্দেশ্য সম্বন্ধে যি কোৱা হয় সিয়েই বিধেয়।
- বাচ্য মানে কথা কোৱাৰ ধৰণ। আন কথাত বাক্যত পদৰ সংগতিয়েই বাচ্য। অসমীয়া বাক্য একোটাত ক্ৰিয়াই কৰ্তাৰ বিষয়ে ক'ব পাৰে, কৰ্মৰ বিষয়ে ক'ব পাৰে বা ক্ৰিয়াই নিজৰ বিষয়ে ক'ব পাৰে। অৰ্থাৎ বাক্যত মুখ্য ভূমিকা কৰ্তাই নে কৰ্মই নে ক্ৰিয়াই লৈছে সেই অনুসৰি বাচ্য তিনিপ্ৰকাৰৰ— কৰ্তৃবাচ্য, কৰ্মবাচ্য আৰু ভাববাচ্য।
- বাক্যত পদৰ ক্ৰম অপৰিহাৰ্য। কথা কোৱাৰ বিভিন্ন ভংগী থাকে। ভংগী অনুসৰি এই ক্ৰমবোৰ কেতিয়াবা ইফাল সিফাল কৰিও ক'ব পাৰি।



৪.৯ অধিক জানিবলৈ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); ৰৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৩) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।
৪) গোস্বামী, উপেন্দ্রনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।
৫) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।
৬) মৰল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।
৭) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অতি কমেও দুটা অর্থপূর্ণ বাক্য বিশেষ ধৰণে সংযোজিত হোৱাৰ ফলত এটাৰ অর্থ আনটোৰ অর্থৰ ওপৰত নির্ভৰশীল হ'বলগীয়া হ'লে তেনে বাক্যক জটিল বাক্য বোলে।

২ নং প্রশ্নৰ উত্তৰ ঃ হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ কর্মবাচ্যৰ বিভক্তি বোলে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰামে কালিলৈ স্কুললৈ নাযায় বুলি মোক ক'লে।

৫ নং প্রশ্নৰ উত্তৰ ঃ শেষত।

৪.১১ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ চমু উত্তৰ দিয়ক —বাক্যৰীতি বুলিলে কি বুজে?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উক্তি মানে কি? উক্তি কেই প্রকাৰ? প্রত্যেক ভাগৰে উদাহৰণ দিয়ক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গঠনৰ ফালৰ পৰা বাক্যৰ ভাগ কেইটা কি কি? উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ২ ঃ বাচ্য কেই প্রকাৰৰ আৰু কি কি? কর্মবাচ্য বাক্যৰ গঠন সম্পর্কে বহলাই লিখক।

****